**GOVERNMENT OF ASSAM**
**INFORMATION TECHNOLOGY DEPARTMENT**
**JANATA BHAWAN, BLOCK-C, 2nd FLOOR, DISPUR, GUWAHATI-6**
***Email ::*** *itdepartment-as@assam.gov.in*

eCF No. IT 809264/2026/42

From : The Under Secretary to the Govt. of Assam,
Information Technology Department,
Dispur, Guwahati-6.

To : The Secretary,
Assam Legislative Assembly,
Dispur, Guwahati-781006.

Sub : Reply to the Starred Assembly Question No.64 to be asked by Shri Rupam Chandra Roy, MLA

Sir,

With reference to the subject cited above, I am directed to submit herewith 150 copies of the reply to the Starred Assembly Question No. 64 to be asked by Shri Rupam Chandra Roy, MLA during the Budget Session of the Sixteenth Assam Legislative Assembly on 9th July, 2026.

***Encl.: As stated.***

Yours faithfully,

Digitally signed by
SAHABUDDIN AHMED
Date: 07-07-2026
14:07:49

Under Secretary to the Government of Assam,
Information Technology Department

Memo eCF No. IT 809264/2026/42-A
Copy to:

1. P.S. to the Hon'ble Minister, Information Technology Department, Dispur, Guwahati-06 for kind appraisal of the Principal Secretary.
2. P.S. to the Principal Secretary to the Government of Assam, Information Technology Department, Dispur, Guwahati-06 for kind appraisal of the Principal Secretary.
3. P.A. to the Commissioner & Secretary to the Government of Assam, Information Technology Department, Dispur, Guwahati-06 for kind appraisal of the Commissioner & Secretary.

By order etc.,
**e-signed**
Under Secretary to the Government of Assam
Information Technology Department

**অসম বিধান সভা**

**তৰাচিহ্নিত প্ৰশ্ন নং: ৬৪**

**উত্তৰ দানৰ তাৰিখ : ০৯/০৭/২০২৬**

**বিষয় :** বাওখুংগৰী LAC ত Digital Connectivity উন্নয়ন ।

**শ্ৰী ৰূপম চন্দ্ৰ ৰয় :**

* ৬৪। **মাননীয় তথ্য প্ৰযুক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

বাওখুংগৰী LAC-ৰ **ভিতৰুৱা** অঞ্চল সমূহত Mobile network, Internet connectivity আৰু digital access অধিক শক্তিশালী কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপ সমূহ আৰু আগন্তুক পৰিকল্পনা সদনত দাখিল কৰিব নেকি ?

**<u>উত্তৰ</u>**

**মাননীয় তথ্য প্ৰযুক্তি বিভাগৰ মন্ত্ৰী ড° ৰণোজ পেগু মহোদয়ে উত্তৰ দিব:**

ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ সহযোগত '4G saturation' ৰূপায়ণ কৰি আছে, যাৰ মূল উদ্দেশ্য হৈছে অসমৰ প্ৰতিটো অঞ্চললৈ, পাহাৰীয়া অঞ্চল, চৰাঞ্চল আৰু অন্যান্য ভৌগোলিকভাৱে দুৰ্গম এলেকাসমূহকে ধৰি; মোবাইল সংযোগ সুবিধা সম্প্ৰসাৰণ কৰা। এই প্ৰকল্পৰ অধীনত ৰাজ্য চৰকাৰে BSNLক মোবাইল টাৱাৰ স্থাপনৰ বাবে বিনামূলীয়াকৈ মাটি প্ৰদান কৰি আহিছে। বৰ্তমানলৈকে ৰাজ্য চৰকাৰে সমগ্ৰ ৰাজ্যত এনে ৪৪১টা স্থান বিনামূলীয়াকৈ প্ৰদান কৰিছে, যাৰ ভিতৰত কোকৰাঝাৰ জিলাত ১০টা স্থান অন্তৰ্ভুক্ত হৈছে।

ইয়াতে উল্লেখ কৰিব পাৰি যে বাওখুংগৰী বিধানসভা সমষ্টি কোকৰাঝাৰ জিলাৰ অন্তৰ্গত। ভাৰত চৰকাৰৰ দূৰসংযোগ বিভাগৰ তথ্য অনুসৰি, কোকৰাঝাৰ জিলাৰ মুঠ ১,০৮২খন গাঁৱৰ ভিতৰত ১,০৭৯খন গাঁও ইতিমধ্যে 4G মোবাইল কভাৰেজৰ আওতাত অন্তৰ্ভুক্ত কৰা হৈছে। অৱশিষ্ট ৩খন গাঁৱতো ইতিমধ্যে **'Digital Bharat Nidhi' '4G Saturation' প্ৰকল্প**ৰ অধীনত মোবাইল নেটৱৰ্ক সেৱা প্ৰদানৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে।

ভাৰত চৰকাৰৰ অধীনত ৰূপায়িত '**BharatNet**' প্ৰকল্পৰ মূল উদ্দেশ্য হৈছে দেশৰ গাঁও পৰ্যায়লৈ উচ্চ-গতিসম্পন্ন 'Broadband Internet Connectivity' সংযোগ সুবিধা প্ৰদান কৰা, যাতে গ্ৰাম্য অঞ্চলসমূহতো ডিজিটেল সেৱাসমূহ সহজলভ্য হয়। পূৰ্বৰ **'BharatNet' কাৰ্যসূচী**ত কোকৰাঝাৰ জিলা অন্তৰ্ভুক্ত নাছিল, কিন্তু বৰ্তমান **'Amended BharatNet' কাৰ্যসূচী**ৰ অধীনত কোকৰাঝাৰ জিলাক অন্তৰ্ভুক্ত কৰা হৈছে। এই সংশোধিত BharatNet কাৰ্যসূচীৰ অধীনত ৰূপায়ণৰ কাম ইতিমধ্যে আৰম্ভ হৈছে আৰু সমগ্ৰ ৰাজ্যৰ বাবে BSNLক একমাত্ৰ **প্ৰকল্প ব্যৱস্থাপনা সংস্থা (Project Management Agency-PMA)** হিচাপে দায়িত্ব অৰ্পণ কৰা হৈছে।

-----------------------------------xxx-------------------------------------